**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-12-2025
**Time :** 17-15 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত এছ্‌ আই টিৰ অভিযোগনামা দাখিল।

২। বি টি আৰত আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ।

৩। অৰুণাচল প্ৰদেশৰ আনজাওৰ পথ দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি মন্ত্ৰী বিমল বৰাৰ উদ্ধাৰ অভিযান নিৰীক্ষণ। **আৰু**

৪। আই আই টি গুৱাহাটীত ভাৰতীয় ষ্টেপছ্‌ এণ্ড বিজনেছ্‌ ইনকিউবেটৰ্ছ এছ’ছিয়েচনৰ সপ্তদশ সন্মিলনৰ সামৰণি।

ooooo

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যু সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ্‌ আই টিয়ে আজি গোচৰটো সন্দৰ্ভত কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত অভিযোগনামা দাখিল কৰে। এছ্‌ আই টিৰ মুৰব্বী আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বৰ এটা দলে আজি দুপৰীয়া কেইবাহাজাৰ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। অভিযোগনামাত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম আয়োজক শ্যামকানু মহন্ত, সংগীত শিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ ধাৰাৰ অধীনত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰা হৈছে। জুবিন গাৰ্গৰ সম্বন্ধীয় ভাতৃ তথা ছিংগাপুৰ যাত্ৰাৰ সংগী, অসম আৰক্ষীৰ নিলম্বিত বিষয়া সন্দিপন গাৰ্গৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৫ ধাৰাৰ অধীনত অনিচ্ছাকৃত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰিছে। তদুপৰি জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে বিশ্বাস ভংগৰ অভিযোগত অভিযোগনামা দাখিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৫ ছেপ্তেম্বৰত গঠিত এছ্‌ আই টিয়ে এই সময়ছোৱাত প্ৰায় ৩০০ৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰিছিল।

বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই অভিযোগনামা সন্দৰ্ভত এখন সংবাদমেলত এই বিষয়ে সবিশেষ প্ৰকাশ কৰে।

**বাইট (মুন্না প্ৰসাদ গুপ্তা)**

নিৰ্ধাৰিত সময়ৰ ভিতৰত এছ আই টিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অভিযোগনামা দাখিল সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এতিয়া আদালতে গোচৰৰ শুনানি গ্ৰহণ কৰি দোষীক উপযুক্ত শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব।

**বাইট (চি এম)**

০০০০০

বি টি আৰত আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত বি টি আৰৰ ৫ খন জিলাৰ ৪ লাখ ১২ হাজাৰ মহিলাক সামৰি লোৱা হৈছে। অৰুণোদয় আঁচনিত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আৰু দীনদয়াল দিব্যাংগজন সাহায্য আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে। কোকৰাঝাৰৰ বড়োফা নগৰৰ গ্ৰীণফিল্ডত এই উপলক্ষে আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত অৰুণোদয় আঁচনিক ৰাজ্যৰ আটাইতকৈ বৃহৎ দৰিদ্ৰতা দূৰীকৰণ আঁচনি বুলি উল্লেখ কৰি কয়, যে ২০২০ চনত এই আঁচনি মুকলি হোৱাৰ পাছৰে পৰা বিগত ৫ বছৰত ৩৮ লাখ মহিলাক সামৰি লোৱা লৈছে। এই আঁচনিৰ বাবে ৰাজ্যৰ মহিলাসকল শক্তিশালী হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই বিটিআৰৰ মহিলাসকলক অহা ২০ জানুৱাৰীৰ ভিতৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ লগতে নিযুত মইনা আঁচনিৰ দৰে ছাত্ৰসকলৰ বাবেও একেধৰণৰ এখন আঁচনি মুকলি কৰা হ'ব বুলি জানিবলৈ দিয়ে।

আজিৰ অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বি টি আৰৰ প্ৰতিখন জিলাতে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আৰম্ভণি উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ অন্যতম ধ্বজাবাহী আঁচনি অৰুণোদয়ৰ জৰিয়তে পোনপটীয়া আৰ্থিক সাহায্যৰ সহায়ত মহিলা সবলীকৰণত গুৰুত্ব দিয়া হৈছে।

০০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত মন্ত্ৰী বিমল বৰাই আজি অৰুণাচলৰ লোহিত জিলাৰ উপায়ুক্ত কেছাং নুৰুপ ডামু, আৰক্ষী অধীক্ষক থোটান জাম্বা আৰু তেজুৰ 25TH ITBP কামাণ্ডেণ্টৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে লগতে আনজাওৰ দুৰ্ঘটনাস্থলীত উপস্থিত হৈ জিলা প্ৰশাসন, সেনা আৰু এন ডি আৰ এফৰ দলে চলোৱা উদ্ধাৰ অভিযান নিৰীক্ষণ কৰে।

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি নিহতসকলৰ আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী সাহায্য নিধিৰ অধীনত মৃতকৰ নিকটাত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ লগতে আহতসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাৰ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইয়েও ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মৃতকৰ পৰিয়াললৈ ৫ লাখ টকা এককালীন সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে।

০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আই আই টি গুৱাহাটীত আজি সপ্তদশ ভাৰতীয় ষ্টেপছ্ এণ্ড বিজনেছ ইনকিউবেটৰ্ছ এছোছিয়েছন  সন্মিলনৰ সামৰণি পৰে। যোৱা ১০ ডিচেম্বৰত আৰম্ভ হোৱা এই সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত এইমছ্ গুৱাহাটীৰ সঞ্চালক ড০ অশোক  পুৰাণ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। গুৱাহাটী বায়'টেক পাৰ্কৰ প্ৰশাসক ৰাজেশ ঠাকুৰ সন্মানীয় অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানটোত আই আই টি গুৱাহাটীৰ সঞ্চালক, অধ্যাপক দেবেন্দ্ৰ জলিহালেও অংশগ্ৰহণ কৰে। ৩ দিনীয়া এই সন্মিলনত দুশৰো অধিক অংশগ্ৰহণকাৰী উদ্যোগী আৰু তিনিশৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০

কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত আজি সংহত জিলা আয়ুক্তৰ সভাকক্ষত জিলা কুষ্ঠ ৰোগ নিয়ন্ত্ৰণ কোষ আৰু জিলা স্বাস্থ্য সমিতিৰ সমন্বয় সমিতিৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাষ্ট্ৰীয় কুষ্ঠ ৰোগ নিৰ্মূল কাৰ্যসূচীৰ অধীনত কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান ২০২৫-২৬ৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হ'বলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক কুষ্ঠৰোগ নিৰ্মুলৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। এই বৈঠকত কুষ্ঠৰোগৰ প্ৰাৰম্ভিক  চিনাক্তকৰণ, সম্প্ৰদায়ৰ অংশগ্ৰহণ আদি বিষয়ে আলোচনা কৰাৰ উপৰিও আন্তঃবিভাগীয় সমন্বয়ৰ প্ৰয়োজনীয়তা আদিৰ ওপৰত আলোচনা কৰা হয়। বৈঠকত স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, জ্যেষ্ঠ স্বাস্থ্য বিষয়া আৰু বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

০০০০০

গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত কাইলৈৰ পৰা ১৫ ডিচেম্বৰলৈ চতুৰ্থ সমবায় মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহে অংশগ্ৰহণ কৰিব। মেলাত হাতে বোৱা কাপোৰ, বাঁহ-বেতেৰে নিৰ্মিত সামগ্ৰী, পানী মেটেকা, মৰাপাটেৰে নিৰ্মিত সামগ্ৰী, কাঁহৰ সামগ্ৰী, পৰম্পৰাগত অসমীয়া গহণা, থলুৱা খাদ্য সম্ভাৰ, টেৰাকোটা সামগ্ৰীকে ধৰি বিবিধ সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শন কৰা হ'ব। সমবায় মেলাৰ লগত সংগতি ৰাখি পৰম্পৰাগত সাজ-পাৰ, লোকনৃত্য, সুসজ্জিত বিপণী, সংগীত, কুইজ, তৰ্ক আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত